# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ২০/২০২০

## জৈৱিক কৃষিক বিকশাই তোলাৰ বাবে প্ৰগতিশীল কৃষকে লোৱা পদক্ষেপক প্ৰশংসা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২২ জানুৱাৰী ঃ** উৎসৰ্গিত মনোভাৱ আৰু কঠোৰ প্ৰশ্ৰিমৰে সোণাপুৰ ৰাজহ চক্ৰ এলেকাত জৈৱিক কৃষিৰ বিকাশ সাধনৰ বাবে প্ৰগতিশীল কৃষকসকলে কৰা প্ৰয়াসক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰশংসা কৰে।

উল্লেখ্য যে হৰিচৰণ দাস, নিৰেন চন্দ্ৰ দাস আৰু ফণীধৰ পাঠক নামৰ তিনিগৰাকী প্ৰগতিশীল কৃষকে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক তেখেতৰ চৰকাৰী আৱাসগৃহত সাক্ষাৎ কৰি জৈৱিক কৃষি ক্ষেত্ৰত তেওঁলোকে লাভ কৰা সফলতাৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰী সোণাপুৰ এলেকাত জৈৱিক কৃষিৰ বিকাশৰ বাবে লোৱা এই পদক্ষেপে ৰাজ্যখনৰ অন্যান্য কৃষক সকলকো অধিক উৎসাহিত কৰিব বুলি কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দেশৰ জৈৱিক হাব হিচাপে পৰিগণিত কৰিব বিচৰা বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰয়াসে প্ৰধানমন্ত্ৰীৰ সপোন বাস্তৱায়িত কৰাৰ দিশত ইতিবাচক অৰিহণা আগবঢ়োৱাৰ উপৰি নতুন প্ৰজন্মক এই কৃষি পদ্ধতি অৱলম্বনৰ দিশত অধিক উৎসাহিত কৰিব।

সোণাপুৰ ৰাজহ চক্ৰৰ হহৰা, বগীবাৰী, ধুপগুৰি গাঁৱৰ কৃষক সকলে তেওঁলোকৰ উৎপাদিত জৈৱিক শাক-পাচলি মুখ্যমন্ত্ৰীক প্ৰদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে কৃষক কেইগৰাকীক তেওঁলোকে প্ৰদান কৰা শাক-পাচলিৰ উচিত মূল্য আদায় দিয়ে। মুখ্যমন্ত্ৰীয়ে কৃষক সকলক এই ধাৰা অব্যাহত ৰাখিবলৈ আহ্বান জনায় যাতে আৰু অধিক কৃষকে তেওঁলোকৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হ'ব পাৰে।

মুখ্যমন্ত্ৰীৰ সৈতে কৃষকসকলৰ মত-বিনিময়ৰ সময়ত সাংসদ প্ৰদান বৰুৱা, অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ তথা বিধায়ক ৰঞ্জিত কুমাৰ দাস উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ / বঃভাঃ**
**২২/০১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in